# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-11-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*
**::::::::::::::::::::::::::::::::**

মণিপুৰৰ এন বিৰেন সিং নেতৃত্বাধীন চৰকাৰৰ পৰা এন পি পিয়ে সমৰ্থন প্ৰত্যাহাৰ কৰিছে। এন পি পিৰ ৰাষ্ট্ৰীয় সভাপতি কনৰাড কে চাংমাই বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাক তেওঁলোকৰ এই সিদ্ধান্তৰ বিষয়ে অৱগত কৰে। উল্লেখযোগ্য যে বৰ্তমান মণিপুৰ বিধানসভাত থকা এন পি পিৰ সাতজন বিধায়কে বিজেপি নেতৃত্বাধীন চৰকাৰক সমৰ্থন জনাইছিল। মণিপুৰ বিধানসভাত বিজেপিৰ ৩২জন বিধায়ক আছে আৰু এন বিৰেন সিং নেতৃত্বাধীন চৰকাৰখনলৈ এন পি এফ, জে ডি ইউ আৰু কিছু নিৰ্দলীয় প্ৰাৰ্থীৰ সমৰ্থন আছে। কনৰাড কে চাংমাই বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিলৈ লিখা পত্ৰখনত উল্লেখ কৰে যে ৰাজ্যখনৰ শান্তি-শৃংখলা পৰিস্থিতি বৰ্তাই ৰখা আৰু জনসাধাৰণক নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ সম্পূৰ্ণভাৱে বিফল হোৱাৰ বাবে চৰকাৰৰ পৰা তেওঁলোকৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰিছে।

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত মণিপুৰৰ নিৰাপত্তা পৰিস্থিতিৰ বাবে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হয়। সূত্ৰৰ পৰা জানিব পৰা মতে কাইলৈ তেওঁ এই বিষয়টো লৈ বিশদভাৱে আলোচনা কৰিব। গৃহ মন্ত্ৰালয়ে এটা বিবৃতিত কয় যে মণিপুৰৰ সংঘাতত লিপ্ত হোৱা দুয়োটা সম্প্ৰদায়ৰে অস্ত্ৰধাৰী দুস্কৃতিকাৰী জড়িত আছে। ইতিমধ্যে গুৰুত্বপূৰ্ণ গোচৰসমূহৰ কাৰ্যকৰী তদন্তৰ বাবে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাক দায়িত্ব অৰ্পণ কৰিছে।

উল্লেখযোগ্য যে দুটাকৈ সম্প্ৰদায়ৰ মাজত হোৱা সংঘাতৰ পৰিণতিত শেহতীয়াকৈ মণিপুৰত পৰিস্থিতিৰ অৱনতি ঘটিছে। একাংশ প্ৰতিবাদকাৰীয়ে কালি ৰাজ্যখনৰ দুজন মন্ত্ৰী আৰু তিনিজন বিধায়কৰ বাসগৃহত আক্ৰমণ কৰাৰ পাছত ইম্ফলত সান্ধ্য আইন জাৰি কৰাৰ লগতে চাৰিখন জিলাত ইণ্টাৰনেট সেৱা কৰ্তন কৰি ৰখা হৈছে।

০০০০০০০০

জাগীৰোডত নিৰ্মীয়মান টাটা ছেমিকণ্ডাক্টৰ এছেম্বলী আৰু টেষ্ট প্ৰাইভেট লিমিটেডৰ গোটটো অৰ্ধপৰিবাহী উদ্যোগত ভাৰতৰ উচ্চাভিলাসী পদক্ষেপৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ অন্যতম প্ৰধান নিৰ্মাণ ক্ষেত্ৰ হিচাপে পৰিগণিত হ'বলগীয়া এই প্ৰকল্পটোৱে ভাৰতক স্বাৱলম্বী হোৱাৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰিব। ২৭ হাজাৰ কোটি টকাৰ বিনিয়োগৰ সৈতে এই উদ্যোগে প্ৰতি দিনে ৪৮ নিযুত অৰ্ধপৰিবাহী চিপ উৎপাদন কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০

বাংলাদেশৰ সৈতে ভাৰতে সুস্থিৰ, ইতিবাচক আৰু গঠনমূলক সম্পৰ্ক বৰ্তাই ৰখাৰ বাবে কাম কৰি আছে বুলি স্পষ্ট কৰি দিছে। আজি ঢাকাত অনুষ্ঠিত বংগোপ সাগৰীয় বাৰ্তালাপত অংশগ্ৰহণ কৰি ঢাকাস্থিত ভাৰতীয় উচ্চায়ুক্ত প্ৰণয় বাৰ্মাই কয়, যে ভাৰতে বাংলাদেশৰ সৈতে শান্তি, নিৰাপত্তা, প্ৰগতি আৰু সমৃদ্ধিৰ দীৰ্ঘস্থায়ী সহযোগিতা স্থাপনত বিশ্বাস কৰে। তেওঁ কয়, যে ভাৰতৰ বিদ্যুৎ গ্ৰীডৰ জৰিয়তে নেপালৰ পৰা বাংলাদেশলৈ ৪০ মেগাৱাট বিদ্যুৎ পৰিবহণৰ আন্তঃগাঁথনি সৃষ্টি হৈছে আৰু পেট্ৰোপ'ল-বেনাপ'ল সংহত তালাচী চকীৰ সা-সুবিধাসমূহো এই মাহৰ ভিতৰতে অধিক বৃদ্ধি কৰা হ'ব। উচ্চায়ুক্তগৰাকীয়ে দুই দেশৰ নাগৰিকসকলৰ মাজত থকা মৈত্ৰী আৰু সহযোগিতাৰ বান্ধোন অধিক শক্তিশালী কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০০০০০

আমাৰ এই বাতৰিৰ পাছতেই আজিৰ অখিল ভাৰতীয় নাট্যানুষ্ঠানত ঋতুপৰ্ণ দাস ৰচিত **কুৰুক্ষেত্ৰ** নামৰ নাটখন সমগ্ৰ দেশৰে ৫৯১টা আকাশবাণী কেন্দ্ৰৰ পৰা ২২টা আঞ্চলিক ভাষাত প্ৰচাৰিত হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰ পৰা মূল অসমীয়া নাটকখন প্ৰচাৰিত হ'ব আৰু ইয়াক ৰাজ্যখনৰ ডিব্ৰুগড় আৰু আন কেন্দ্ৰসমূহে ৰীলে কৰিব। উল্লেখযোগ্য যে বিশিষ্ট নাট্যকাৰ, পৰিচালক তথা আকাশবাণী গুৱাহাটীৰ নাট বিভাগৰ বিষয়া ঋতুপৰ্ণ দাসৰ এই নাটখন কেইবাবছৰৰ বিৰতিত অখিল ভাৰতীয় নাট্যানুষ্ঠানলৈ নিৰ্বাচিত হোৱা প্ৰথমখন অসমীয়া অনাতাঁৰ নাটক। ইয়াৰ পূৰ্বে অৰুণ শৰ্মা, ড০ ভবেন্দ্ৰনাথ শইকীয়া, মহেন্দ্ৰ বৰঠাকুৰ আৰু সপোনজ্যোতি ঠাকুৰৰ নাটকে এই সন্মান অৰ্জন কৰিছিল।

০০০০০০০০

পদ্মশ্ৰী সন্মানেৰে বিভূষিত নৃত্যাচাৰ্য যতীন গোস্বামীৰ জীৱনী গ্ৰন্থ **ঐছন জনম গোৱাই** আজি সন্ধিয়া গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত সংগীত নাটক একাডেমীয়ে আয়োজন কৰা **নৃত্য পৰ্ব ২৪** অনুষ্ঠানত এই জীৱনী গ্ৰন্থখন উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে সত্ৰীয়া নৃত্যৰ বিশিষ্ট শিল্পী ঘনকান্ত বৰা বৰবায়নে। এই জীৱনী গ্ৰন্থ ৰচনাৰ শলাগ লৈ শ্ৰীবৰবায়নে কয়, যে আজিলৈকে কোনো অসমীয়া শিল্পীৰ জীৱন কালত জীৱনী গ্ৰন্থ প্ৰকাশ হৈ ওলোৱা নাই। ইয়াৰ বাবে তেওঁ গ্ৰন্থখনৰ লিখক পুলিন কলিতা আৰু প্ৰকাশক অনন্ত হাজৰিকাক ধন্যবাদ জনায়। অনুষ্ঠানত সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট গৱেষক ড০ প্ৰদীপ জ্যোতি মহন্ত, সংগীত নাটক একাডেমীৰ সচিব ৰাজু দাস, সত্ৰীয়া কেন্দ্ৰৰ প্ৰকল্প সঞ্চালক ড০ প্ৰতিভা শৰ্মা আৰু প্ৰবীণ অভিনেতা প্ৰাঞ্জল শইকীয়াকে ধৰি ভালেসংখ্যক অনুৰাগী আৰু দৰ্শক উপস্থিত আছিল।

০০০০০০০০

যোৰহাটৰ ম'হবন্ধা এৰালতলি পথাৰত অহা বছৰৰ ৬ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক অধিৱেশনৰ লাইখুঁটা আজি স্থাপন কৰা হয়। লাইখুঁটা স্থাপন উপলক্ষে অনুষ্ঠিত মুকলি সভাত বিত্তমন্ত্ৰী অজন্তা নেওগ, কৃষিমন্ত্ৰী অতুল বৰা, কাজিৰঙা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ লগতে জিলা আয়ুক্ত উপস্থিত থাকে। বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তৰ উপস্থিতিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাই লাইখুঁটা স্থাপন কৰে।

০০০০০০০০

**সমাপ্ত**